### ৩.০২.০৫. দেৱী-পূজাৰ পৰম্পৰা

ইতিমধ্যে শক্তিতত্ত্ব বা শক্তিবাদ বা দেৱীতত্ত্ব সম্পৰ্কীয় আলোচনাত পুৰণি অসমৰ ধৰ্মীয় পৰম্পৰাত নাৰী দেৱতাই কিদৰে বিশিষ্ট স্থান লাভ কৰি আহিছে সেই বিষয়ে সাধাৰণভাৱে আলোচনা কৰা হৈছে। এই আলোচনাটিত নাৰী দেৱতাসকলৰ পূজা-পৰম্পৰাৰ বিষয়ে চমু আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

জন-গণৰ মাজত নাৰীদেৱতাৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলিব পাৰি অন্ততঃ কৃষি প্ৰধান লোকৰ মাজত। এই প্ৰসংগত এগৰাকী পণ্ডিতে এইদৰে মন্তব্য কৰিছেঃ

*Female deities have often enjoyed the highest place among the gods.*

দেৱতাসৱৰ পূজা-উপাসনা যিদৰে তিথি, নক্ষত্ৰ আদি অনুসৰি অনুষ্ঠিত হয়, তদ্ৰূপ দেৱী-পূজাও তিথি-নক্ষত্ৰ আদি অনুসৰি উদ্‌যাপিত হয়। পুৰণি অসমৰ ধৰ্মীয় পৰম্পৰাত গুৰুত্বপূৰ্ণ স্থান লাভ কৰি অহা দেৱী গৰাকীৰ নাম কামাখ্যা। 'কামা' নামৰ দেৱী গৰাকীয়েই কামাখ্যা। কামাখ্যা ধাম বা নীলাচলত কামাখ্যা মন্দিৰ অৱস্থিত। কামাখ্যা দশমহাবিদ্যাৰ অন্যতমা। ইতিহাসৰ পম খেদি গ'লে দেখা যাব যে, কামাখ্যা স্বৰূপাৰ্থত আৰ্য্য-ভিন্ন সংস্কৃতিৰপৰা উদ্ভুতা দেৱী, অৱশেষত সংস্কৃতীয়াকৰণ প্ৰক্ৰিয়াৰে দেৱী গৰাকীয়ে মহান পৰম্পৰা অৰ্থাৎ Great Tradition-ত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। পাৰ্বতী আৰু কামাখ্যা একেজনী দেৱী নাছিল; কিন্তু সমাহৰণ প্ৰক্ৰিয়াৰ পৰিণতিত কামাখ্যা আৰু পাৰ্বতী একাকাৰ হৈছে আৰু কামাখ্যাৰ স্বামী স্বৰূপেও শিৱই আত্ম প্ৰকাশ কৰিছে।

কামাখ্যা মন্দিৰত যোনি ৰূপতহে দেৱীক পূজা কৰা হয়। কামাখ্যা উপাসনাৰ সৈতে বিশেষভাৱে জৰিত অনুষ্ঠানসমূহৰ ভিতৰত কুমাৰী-পূজা বিশেষভাৱে উল্লেখযোগ্য। যোনি পূজাৰ উত্তৰণ হৈছে কুমাৰী পূজা। কুমাৰী পূজাৰ পৰম্পৰা অতিকৈ প্ৰাচীন। পণ্ডিতসকলৰ মতে বৈদিক যুগৰ আৰম্ভণিৰ পূৰ্বৰেপৰা যোনি পূজাৰ পৰম্পৰা ভাৰতবৰ্ষৰ প্ৰবহমান হৈ আছিল। 'কুমাৰী' শব্দৰ অৰ্থ virgin অথবা অক্ষতা যোনি বিশিষ্টা নাবালিকা। দ্বিতীয়তে কুমাৰীৰ অৰ্থ মাতৃদেৱী। ৰুদ্ৰপত্নীৰ নাম 'কন্যাকুমাৰী'। ঋতুমতী নোহোৱালৈকে কন্যাক আখ্যা দিয়া হৈছে কুমাৰী। কুমাৰী পূজাত তন্ত্ৰই গুৰুত্ব প্ৰদান কৰিছে। কুমাৰীসকল হৈছে দুৰ্গা, ভদ্ৰা, কালী, কামাখ্যা, সৰস্বতী আদিৰ প্ৰতিনিধি বা replicas। সাধাৰণতে কুমাৰী-পূজাত দ্বাদশ বৎসৰ অনুৰ্দ্ধৰ এগৰাকী ব্ৰাহ্মণ (অথবা অব্ৰাহ্মণ) কন্যাক পীঠত প্ৰতিষ্ঠা কৰি বিবিধ উপহাৰ আৰু নৈবেদ্যৰে ব্ৰাহ্মণ পুৰোহিতৰ নিৰ্দেশ মতে পূজা কতহিঁ উপাসনা কৰে। শাৰদীয় দুৰ্গা-পূজাৰ সময়ত অৰ্থাৎ দেৱী পক্ষৰ প্ৰতিপদ তিথিৰপৰা দশমী তিথিলৈকে দুৰ্গাৰ প্ৰতিনিধি কুমাৰী কন্যাক পূজা কৰা হয়।

দুৰ্গা-পূজা-পৰম্পৰা কামাখ্যা দেৱী-পূজা-পৰম্পৰাৰ সমানেই প্ৰাচীন। বন-দুৰ্গা পূজা, অষ্টভুজা দুৰ্গা পূজা, চতুৰ্ভুজা চণ্ডী উপাসনা পুৰণি কালৰেপৰা চলি আহিছে। আহোম নৃপতি ৰুদ্ৰসিংহ, কোচ নৃপতি বিশ্বসিংহ, নৰনাৰায়ণ, লক্ষ্মীসিংহ, বলি নাৰায়ণ আদি ৰজাৰ ৰাজত্ব কালত দুৰ্গা পূজাই সাৰ্বিক ৰূপ গ্ৰহণ কৰে।

বাসন্তী-পূজা-পৰম্পৰা কামৰূপ-অসমৰ ক্ষেত্ৰত দুৰ্গা-পূজাতকৈ পুৰণি যেন লাগে। বসন্তকালত অনুষ্ঠিত দুৰ্গা-পূজাই বাসন্তী-পূজা। কালী পূজা পৰম্পৰা কামাখ্যা পূজাৰ সমানেই প্ৰাচীন। *মাৰ্কণ্ডেয় পুৰাণ*-ত পাৰ্বতীৰ কোষৰ (কক্ষ) পৰ জন্ম হোৱা দেৱী গৰাকীৰ নাম কৌষিকী, তেওঁৰ নামেই কালী, চণ্ডক বধ কৰা বাবেই চণ্ডী নাম বাচক বিশেষণটো তেওঁ লাভ কৰিছে। দেৱী গৰাকীৰ গাৰ বৰণ ক'লা, সেইবাবে তেওঁ কালী। কালী-পূজা দুবিধ ঃ দক্ষিণা কালী আৰু শ্মশান কালী। কালী দশ মহাবিদ্যাৰ অন্যতমা। কামাখ্যাধামত কালী-পূজা দূৰ অতীতৰেপৰা প্ৰবহমান। জগদ্ধাত্ৰী দুৰ্গা বা পাৰ্বতীৰ ৰূপ বিশেষ। কাতিমাহৰ শুক্লা নৱমী তিথিত দেৱী গৰাকীক পূজা কৰা হয়। সিংহ তেওঁৰ বাহন। দুৰ্গাৰ দৰে তেওঁ দশভুজা নহয়, চতুৰ্ভুজাহে। তেওঁ জগতৰ মাতৃ বুলি জগদ্ধাত্ৰী। মংগলচণ্ডী উপাসনা কৰা হয় মংগল আৰু কল্যাণ কামনা কৰি। উগ্ৰতাৰা বৌদ্ধ পৰম্পৰা সম্ভূত বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। বৌদ্ধ পৰম্পৰাত তীক্ষ্ণক্ৰান্তা অথবা একজটা নামৰ এগৰাকী দেৱীৰ উল্লেখ পোৱা যায়। সম্ভৱ হিন্দু ধৰ্মীয় পৰম্পৰাৰ সৈতে দেৱী গৰাকী একাকাৰ হৈ উগ্ৰতাৰাৰূপে আত্মপ্ৰকাশ কৰে। শদিয়াৰ তাম্ৰেশ্বৰীৰ সৈতেও উগ্ৰতাৰাৰ সম্পৰ্ক লক্ষ্য কৰা যায়। দেৱী গৰাকীক বামাচাৰ পদ্ধতিৰে উপাসনা কৰা উচিত।

লক্ষ্মীদেৱীৰ জন্ম সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। সৰহসংখ্যক উৎসৰ মতে সাগৰ মন্থনত তেওঁৰ উদ্ভৱ সম্ভৱ হৈছিল। তেওঁ ধন-দৌলত আৰু সৌভাগ্যৰ দেৱী। লক্ষ্মী-পূজা যি কোনো মাহতে যিকোনো দিনতে অনুষ্ঠিত হ'ব পাৰে। আনকি তেওঁক প্ৰাত্যহিকভাৱেও উপাসনা কৰিব পাৰি; তথাপি দুৰ্গা-পূজাৰ অব্যৱহিত পূৰ্ণিমা নিশা দেৱীক গোটেই ৰাতিটো উজাগৰে থাকি পূজা সেৱা কৰিব লাগে। চিপিটক লক্ষ্মী-পূজাৰ বিশিষ্ট ভোগ।

সৰস্বতী বিদ্যাৰ দেৱী। কোনো কোনোৰ মতে তেওঁ বিষ্ণু-পত্নী আৰু কোনো কোনোৰ মতে তেওঁ ব্ৰহ্মাৰ পত্নী। দেৱী গৰাকীক সাধাৰণতে মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত দিনৰ ভাগত শুক্ল পুষ্পেৰে পূজা কৰা বিধেয়। গঙ্গা

পূজা বিশেষকৈ মৎস্য জীৱীসকলৰ মাজত অতিকৈ প্ৰিয়। মনসা সৰ্পৰ দেৱী। শাওণ মাহৰ নাগ পঞ্চমী তিথিৰপৰা আৰম্ভ কৰি দেৱী গৰাকীক শিৱ, অষ্টনাগ, ধৰ্ম, শীতলাৰ সৈতে পূজা কৰা বিধেয়। যিকোনো দিন বা তিথিতো দেৱী গৰাকীক পূজিব পাৰি। শীতলা *স্কন্দ পুৰাণ*-ৰ মতে মনসা বা পদ্মাৱতীৰ কন্যা। শীতলা বসন্তৰ দেৱী, তেওঁ 'আই' ৰূপেও পৰিচিতা। মনসা বা বিষহৰীৰ দৰে শীতলা দেৱী লোকসমাজ আৰু জনজাতীয় সমাজ তথা শাস্ত্ৰীয় পৰম্পৰাতো পৰিচিতা। কাহুৰী, বেহুলী, বিষ-ঘা-ফোহাৰ দেৱী স্বৰূপে শীতলা দেৱী জনজাতীয় আৰু লোকসমাজত পূজিতা। মুছলমানসকলৰ মাজতো শীতলা দেৱী অপৰিচিতা নহয়।

অপেশ্বৰী আৰু শীতলা সমধৰ্মী দেৱী। অপেশ্বৰী পূজা নাৰীকেন্দ্ৰিক অনুষ্ঠান। সংস্কৃত 'অপ্সৰা' পদৰপৰা অপেশ্বৰী বা অপেচৰা বা অপেস্বৰী আদি অভিধাৰ উদ্ভৱ হৈছে। *ঋগ্বেদ*-ত অপ্সৰাসকল আকাশ বিহাৰিণী। অপেশ্বৰীসকল অসমৰ বাহিৰে ভাৰতবৰ্ষৰ আন আন অঞ্চলত পৰী নামেৰেও (pari বা fairies) পৰিচিত। অসমৰ লোকজীৱন আৰু জনজাতীয় জীৱনত অপেশ্বৰীয়ে কল্যাণ কামিনী আৰু অকল্যাণ কামিনী উভয়দেৱীৰ ভূমিকা গ্ৰহণ কৰিছে। অকল্যাণ কামিনী দেৱী ৰূপে অপেশ্বৰীসকলৰ কুদৃষ্টিত কোনো বেমাৰ-আজাৰ নোহোৱাকৈ ল'ৰা-ছোৱালী শুকাই-খীনাই যায়; অথবা পয়া লাগে, নাইবা ল'ৰা-ছোৱালীয়ে হাত-ভৰি জোকাৰি চকু-মুখ পকাই কন্দা-কটা কৰে, নাইবা একাংগী আদি নৰিয়াত ভোগে; নাইবা চকু ফেচকুৰিয়া ৰোগ হয়; নাইবা পিঠাগলীয়া ব্যাধি হয়, অথবা ছোৱালী শান্তি নোহোৱাকৈ বেছিদিন থাকে; নাইবা গাত বিষ হয়, অথবা ল'ৰা-ছোৱালীয়ে ওপৰৰ ফালে চাই চাই কান্দি কান্দি মৰাৰ নিচিনা হয়। অপেশ্বৰীসকলক পূজা-উপাসনা কৰিলে ৰোগী শিশুসকল ৰোগ মুক্ত হ'ব পাৰে।

সুবচনী আন এগৰাকী কল্যাণ প্ৰদাত্ৰীদেৱী। তেওঁ শুভচণ্ডী, শুভ-সুবচনী, সুভাষিণী আৰু শুবচনী নামেৰে জনাজাত। দেৱী গৰাকীক পূজিলে সৌভাগ্য লাভ হয়, ধন-জন, পুত্ৰ-কন্যা আদি লাভ হয়। দ্বিতীয়তে, তেওঁ দুৰ্ভাগ্য বিনাশিনীও। নাৰী সমাজতহে তেওঁ বিশেষভাৱে পূজিতা। পুৰণি কালৰেপৰা অসমৰ জাতি-জনজাতি উভয়ৰে মাজত উপাসিতা হৈ আহিছে।

সৰ্পৰ দেৱী মনসা, শিৱৰ মানস কন্যা। নেতা তেওঁৰ বান্ধৱী, পথ প্ৰদৰ্শিকা আৰু দাৰ্শনিকা। অষ্টনাগ মনসাৰ সহায়কাৰী। দেৱী মনসা বিষহৰী, পদ্মা, পদ্মাৱতী, পদ্ম কুমাৰী, কাণী বিষহৰী, জৰৎকাৰু, জৰৎকাৰু পত্নী, ব্ৰহ্মাণী, বৰমানী আদি নামেৰে পৰিচিতা। তেওঁ কমলা-লক্ষ্মীৰ সৈতে অভিন্না অৰ্থাৎ তেওঁ সৌভাগ্য প্ৰদায়িনী। তেওঁ বিপদ-নাশিনী-সৰ্পভয়, মাৰি-মৰকৰ ভয় আদিৰপৰা ৰক্ষাকৰ্ত্ৰী। অন্যহাতে তেওঁ কল্যাণকাৰিণীও। তেওঁক পূজা-সেৱা নকৰিলে নানা বিপদ -আপদ, অপায়-অমংগল ঘটিব পাৰে। দেৱীৰ এই গুণাৱলীৰ বাবেই সময়ৰ অগ্ৰগতিৰ লগে লগে তেওঁ স্থানীয় ৰূপৰ পৰা সাৰ্বিক ৰূপ লাভ কৰে। ভাৰতৰ বিভিন্ন অঞ্চলত নাগমাতা অম্বিকা-পদ্মাৱতী পূজিতা। অসমৰ জাতি-জনজাতি আৰু মুছলমানৰ মাজতো পদ্মাৱতী-মনসা পুজিতা। দেৱী গৰাকীক লৌকিক, পৌৰাণিক আৰু জনজাতীয় নিয়মে এদিনত, দুদিনত, তিনিদিনত বা তেৰ-পোন্ধৰ দিনত পূজিব পাৰি। অসমৰ বৰো, ৰাভা, তিৱা, গাৰো, হাজং আদি নৃগোষ্ঠীৰ মাজত পদ্মাৱতী বিষহৰী বৰ্তমানো পুজিতা।

দেৱী পক্ষৰ নৱমী-তিথিত অবিবাহিতা গাভৰুসকলে আইলা-পূজা উদযাপন কৰে— দেৱী দুৰ্গাৰ আশীৰ্বাদ লাভ কৰিবৰ বাবে । এই গৰাকী দেৱী দুৰ্গাদেৱীৰ এক লোকায়ত ৰূপ বা অভিব্যক্তি।

দেৱী পক্ষৰ দশমী তিথিত অৰ্থাৎ বিজয়া দশমীত শাল-পূজা কোনো কোনো অঞ্চলত অনুষ্ঠিত হয়। পুৰণি অসমৰ দেৱ-দেৱীৰ ধাৰণা লোক, জনজাতীয় আৰু শাস্ত্ৰীয়— ত্ৰিবেণী সংগমৰ অপূৰ্ব নিদৰ্শন।